**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-------------------**

১। দেশজুৰি আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন। গুৱাহাটীৰ খানাপাৰাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন।

২। এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব বুলি ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া অনাতাঁৰ ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উল্লেখ।

৩। ডিব্ৰুগড়ত আজি মুখ্যমন্ত্ৰীৰ কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন।

৪। যশস্বী নৃত্য শিল্পী, সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীলৈ পদ্মভূষণ। ৰাজ্যৰ আন ৪ গৰাকী বিশিষ্ট ব্যক্তিলৈ পদ্মশ্ৰী সন্মান। **আৰু**

৫। চেন্নাইত যোৱা নিশা অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ দুই উইকেটত জয়লাভ।

০০০০০০

আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত এই দিৱসৰ মূল অনুষ্ঠানত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ কুচকাৱাজ পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। কুচ-কাৱাজৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পৰম্পৰাগত **ঘোঁৰা বাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সন্মিলিত অভিবাদন গ্ৰহণ কৰিব। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো গণৰাজ্য দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ক্ষন্তেক পাছতে পুৱা ৯ বজাত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। পুৱা ৬ বজাত দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰেৰে গণৰাজ্য দিৱসৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত চাৰে ৮ বজাত মুখ্যমন্ত্ৰী ডং শৰ্মাই থানা চাৰিআলিত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে। পুৱা ৮ বাজি ৫৫ মিনিটত ছহিদ তৰ্পণ আৰু ৯ বজাত মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। ইয়াৰ পাছতে অন্যান্য কাৰ্যসূচীসমূহ অনুষ্ঠিত হ'ব। বৰ্তমান ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত উপস্থিত থকা আমাৰ এগৰাকী সহযোগী জিণ্টু চেতীয়াই আমালৈ এই প্ৰতিবেদন পঠিয়াইছে––

**ভইচ (জিণ্টু চেতীয়া)**

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মঙলদৈত, কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বঙাইগাঁৱত, হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই চিৰাঙৰ কাজল গাঁৱত, বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে নগাঁৱত, পৰিবহণ মন্ত্ৰী যোগেন মহনে মাহমৰা সম-জিলাত, বিত্ত মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই তেজপুৰত, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটত, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰীত, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই বৰপেটাত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে তিনিচুকীয়াত, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে শিলচৰত, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে শ্ৰীভূমিত, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই লখিমপুৰত, অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে গোৱালপাৰাত পতাকা উন্মোচন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো আজি গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লাহ খানে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি গণৰাজ্য দিৱস উপলক্ষে ত্ৰিৰংগ পতাকা উন্মোচন কৰে। মহানগৰীৰ বিভিন্ন প্ৰতিষ্ঠান আৰু ব্যক্তিগত বাসগৃহসমূহতো ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে মহানগৰীৰ পথসমূহত চলাচল কৰা ভালেসংখ্যক ব্যক্তিগত যান-বাহনো ৰাষ্ট্ৰীয় পতাকা উৰুওৱা দেখা গৈছে। গণৰাজ্য দিৱস উপলক্ষে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০০

সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন পৰিকল্পনাই প্ৰশাসনলৈ সুস্থিৰতা আনিব, নীতি স্থবিৰতা দূৰ কৰিব, সম্পদৰ বিচ্যুতি ৰোধ কৰিব আৰু বিত্তীয় বোজা লাঘৱ কৰিব। এনেধৰণৰ ব্যাপক সংস্কাৰৰ বাবে সাহসী দৃষ্টিভংগীৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত ১৯৪৭ চনৰে পৰা ভাৰতীয় জনসাধাৰণৰ মাজত শিপাই থকা ঔপনিৱেসিক মানসিকতাৰ পৰিৱৰ্তনৰ বাবে শক্তিশালী প্ৰচেষ্টা চলি আছে। ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ ঠাইত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধীনিয়ম প্ৰণয়নৰ সিদ্ধান্ত এনে প্ৰচেষ্টাৰ অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

তেওঁ কয়, যে নতুন ফৌজদাৰী আইন তিনিখনে শাস্তি প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ বিষয়টো ফৌজদাৰী ন্যায় ব্যৱস্থাৰ মূল কেন্দ্ৰৰূপে পৰিগণিত কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত গণৰাজ্য দিৱসৰ পতাকা উন্মোচন কৰাৰ লগতে কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰিব। আজি সন্ধিয়া ৬ বজাত ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ সন্মুখৰ মানকাটা পথত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ৰ চক্ৰধৰ গগৈ আৰু বিনোদ হাজৰিকায়েও অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৫৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া আমোলাপট্টী চাৰিআলি উৰণ সেতু, ৮৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ

হ'বলগীয়া মানকটা পথ উৰুণ সেতু, ৭২ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া লাহোৱাল-বৰডুবি-তিনিচুকীয়া পথ আৰু ৩৭ নম্বৰ পুৰণি ঘাইপথৰ সংযোগস্থল উৰণ সেতু, ৬২ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া লেজাই কলাখোৱা পথ উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰিব। বিয়লি তেওঁ ডিব্ৰুগড়ৰ বিশিষ্ট নাগৰিকসকলৰ সৈতে এখন চাহ মেলতো অংশ ল'ব। কাইলৈ তেওঁ ধেমাজি জিলাৰ জোনাই সম-জিলাৰ উন্নয়ন কাম-কাজ সম্পৰ্কে পৰ্যালোচনা কৰি বিবেকানন্দ কেন্দ্ৰৰ আনন্দলয়া ভৱনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যৰ যশস্বী নৃত্য শিল্পী, সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীলৈ চলিত বৰ্ষৰ পদ্মভূষণ সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো, গীতা উপাধ্যায় আৰু ডিমা হাচাও জিলাৰ প্ৰবীন লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰী, কলাৰ ক্ষেত্ৰত ৰেবকান্ত মহন্তলৈ এই বৰ্ষৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। এইবাৰ দেশৰ ৭ গৰাকী বিশিষ্ট ব্যক্তিলৈ পদ্ম বিভূষণ, ১৯ গৰাকীলৈ পদ্মভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ কেবাখনো ৰাজ্যৰ বিশিষ্ট ব্যক্তিয়ে এইবাৰ পদ্ম সন্মান লাভ কৰিছে।

দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰানী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা পদক আৰু অসম আৰক্ষীৰ আন ১৬ গৰাকী বিষয়ালৈ উৎকৃষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। উৎকৃষ্ট সেৱা পদক লাভ কৰা আৰক্ষী বিষয়া-জোৱানসকল হৈছে ক্ৰমে মহাপৰিদৰ্শক ৰফিউল আলম লস্কৰ, প্লেটুন কমাণ্ডাৰ প্ৰশান্ত হাতীবৰুৱা, উপ আৰক্ষী অধীক্ষক উপেন কলিতা, উপ-পৰিদৰ্শক খগেন্দ্ৰ ৰয়, উপ-পৰিদৰ্শক চিত্ৰমোহন ৰাভা, সহকাৰী উপ-পৰিদৰ্শক হেমেন ভূঞা, পৰিদৰ্শক বলোৰাম চাওদাং, হাবিলদাৰ হেৰেম্ব নাথ, উপ-পৰিদৰ্শক বিবেকানন্দ শৰ্মা, সহকাৰী উপ-পৰিদৰ্শক বিষ্ণুপ্ৰসাদ চেত্ৰী, হেড কনিষ্টবল দীপক কাকতি আৰু শংকু চৌধুৰী, নায়ক বাপধন ৰাজবংশী আৰু কনিষ্টবল গজেন মৰাণ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সংবিধান কাৰ্যকৰী হোৱাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি আৰু ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। দেশৰ গণতন্ত্ৰক শক্তিশালী কৰাত সংবিধানৰ বিশেষ ভূমিকাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে সকলো প্ৰত্যাহ্বান নেওচি আগুৱাই যাবলৈ ভাৰতবৰ্ষ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

ৰাজ্যৰ ১০ গৰাকী উদ্যমীয়ে দিল্লীত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। এই উদ্যমীসকলৰ ভিতৰত ধুবুৰীৰ নমিতা এম মাৰাক, কোকৰাঝাৰৰ বিউতি ৰামচিয়াৰী, চিৰাঙৰ মীনা মুছাহাৰী, শোণিতপুৰৰ ইউৰিকা ডব্লিউ ডি ৰাগাম, ধেমাজিৰ অনিল পেগু, গুৱাহাটীৰ গোপাল কৰ্মকাৰ, শিৱসাগৰৰ প্ৰিন্স ফুকন, মৰিগাঁৱৰ প্ৰণৱ সিং, কামৰূপ মহানগৰৰ ত্ৰিবেণী বৰগোহাঁই আৰু নিৰ্মল চৌধুৰী আছে। বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে এই উদ্যমীকেইগৰাকীক গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ আমন্ত্ৰণ জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ উদ্যোগত এই উদ্যমীকেইগৰাকী দিল্লীলৈ ৰাওনা হৈছে। এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ অনুসৰি বিভিন্ন ক্ষেত্ৰৰ সফল আৰু দক্ষ উদ্যমীক তেওঁলোকৰ পৰিয়ালৰ সদস্যসহ কুচকাৱাজত বিশেষভাৱে সংৰক্ষিত আসনত বহিবলৈ দি সন্মান জনোৱা হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ আজি পুৱতি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। ১৯৭১ চনত **অৰণ্য** ছবিৰে ছবি পৰিচালনাত হাত দিয়া সমৰেন্দ্ৰ নাৰায়ণ দেৱে তেওঁৰ প্ৰথমখন ছবিৰ বাবে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। পুতলা ঘৰ ছবিৰ বাবেও তেওঁ ১৯৭৬ত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰ লাভ কৰিছিল। তেওঁৰ আন ছবিসমূহৰ ভিতৰত আছে সোণৰ হৰিণ, ৰাজা, কাজিৰঙাৰ কাহিনী আৰু বীৰ চিলৰায়। গুৱাহাটী দূৰদৰ্শনৰ বাবেও ভালেকেইখন ধাৰাবাহিক আৰু তথ্য চিত্ৰ নিৰ্মাণ কৰিছিল। মঙলদৈৰ সোণালীপামত স্থায়ীভাৱে বসবাস কৰা সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ অন্ত্যেষ্টিক্ৰিয়া আজি মঙলদৈত সম্পন্ন কৰা হ'ব।

০০০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱসত নতুন দিল্লীৰ কৰ্তব্য পথত আজি হ'বলগীয়া কুছকাৱাজ, প্ৰতীকপট শোভাযাত্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ আকাশবাণী আৰু দূৰদৰ্শনে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা হ'বলগীয়া এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কযোগে প্ৰচাৰিত হোৱাৰ লগতে প্ৰচাৰ ভাৰতীৰ অ', টি.টি. প্লেটফৰ্ম **ৱেভ**যোগেও প্ৰচাৰিত হ'ব। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰা অনুসৰি দূৰদৰ্শনে এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে 4K কেমেৰা আৰু আন আনুসংগিক সৰঞ্জাম ব্যৱহাৰ কৰিব। ইয়াৰ ফলত এই অনুষ্ঠানৰ মান পূৰ্বৰ তুলনাত আঠ গুণ উন্নত হ'ব বুলি শ্ৰী দ্বিবেদীয়ে প্ৰকাশ কৰে।

এইবাৰ নতুন দিল্লীৰ গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপট নাথাকিব যদিও বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম, পৰম্পৰাগত নৃত্য, জাপি, গঁড় আদি প্ৰতীকি ৰূপত লালকিল্লাত প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

অসম ৰাজ্যিক শিক্ষা পৰিষদে ৰাজ্যখনত পৰীক্ষাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ বিদ্যালয় পৰিদৰ্শক আৰু শিক্ষা বিভাগৰ সৈতে জড়িত ব্যক্তিক লৈ জিলা পৰ্যায়ত একোখন নিৰীক্ষণ কমিটি গঠন কৰিছে। ইয়াৰ দ্বাৰা পৰীক্ষা পৰিচালনাৰ ব্যৱস্থাটো স্বচ্ছ আৰু নিকা কৰি তুলিবলৈ বিচৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কালি অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসে এই কথা প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পৰীক্ষা ব্যৱস্থা নিকা কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ত পৰীক্ষা কেন্দ্ৰসমূহত মোবাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব।

পৰীক্ষাৰ্থীক তালাচী চলোৱাৰ নামত যাতে তেওঁলোকক কোনো ধৰণে হাৰাশাস্তি কৰা নহয় সেই কথা লক্ষ্য ৰখা হব বুলিও তেওঁলোকে প্ৰকাশ কৰে। এই অনুষ্ঠানটোৰ আঁত ধৰে বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণ, দেশৰ ৯ গৰাকীলৈ পদ্মবিভূষণ, ১৯ গৰাকীলৈ পদ্মভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান ঘোষণাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অল ইণ্ডিয়া অৰ্গানাইজেছন অব কেমিষ্ট আৰু ড্ৰাগছ এছোছিয়েছনৰ ৫০ বছৰ উপলক্ষে এটা দিনতেই ৮০ হাজাৰ ২৪৩ ইউনিট ৰক্তদানেৰে ড্ৰাগছ এচোছিয়েছনে বুক অব ৰেকৰ্ডছত নাম সন্নিৱিষ্ট কৰিছে। আমাৰ অসম কাকতে এই বাতৰিক শীৰ্ষ স্থান দিছে।

দৈনিক অসম কাকতে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জাৰি কৰা পৰীক্ষা সূচী অনুসৰি ৩ ফেব্ৰুৱাৰী সৰস্বতী পূজাৰ দিনাই স্নাতক প্ৰথম সান্মাষিকৰ পৰীক্ষা আয়োজন কৰা বাতৰিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ আজব কাণ্ড, সৰস্বতী পূজাৰ দিনাই স্নাতক প্ৰথম সান্মাষিকৰ পৰীক্ষা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ডি আই জি ইন্দ্ৰাণী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশেষ সেৱা পদক  আগবঢ়োৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত ফটো সহকাৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সদ্য সমাপ্ত কোৰিয়া আৰু জাপান ভ্ৰমণৰ বাতৰিক ৫ দিনত দক্ষিণ কোৰিয়া জাপানৰ ৫ মন্ত্ৰী ঃ ২০০ কোম্পানীৰ বিষয়াক সাক্ষাৎ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে নামনিলৈ সুখবৰ আমিনগাঁৱৰ পৰা হাজো হৈ বৰপেটা সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ শিৰোনামেৰে আমিনগাঁৱৰ পৰা বৰপেটা বাইপাছলৈ নামনি অসমৰ ৰাইজে এটা নতুন ৰাষ্ট্ৰীয় ঘাইপথ লাভ কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গণৰাজ্য দিৱসৰ প্ৰাক সন্ধ্যা কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণক এক দেশ, এক নিৰ্বাচনক পোষকতা কৰাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

উচ্চতম ন্যায়ালয়ে অসম চাহ নিগমৰ ১৪ খন চাহ বাগিচা শ্ৰমিকসকলৰ প্ৰাপ্য আদায়ৰ বাবে ৭০ কোটি টকা মোকলাই দিবলৈ দিয়া নিৰ্দেশৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত চলিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ৰোমাঞ্চকৰভাৱে দুই উইকেটত পৰাস্ত কৰে। ভাৰতে ১৬৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ২ টা বলত ৮টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ তিলক বাৰ্মাই ৫৫টা বলত ৭২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৱাশ্বিংটন সুন্দৰে ১৯ টা বলত ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। দলৰ বাকী কেইগৰাকী বেটছমেন ব্যৰ্থ হয়। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৬৫ ৰান কৰে। ইংলেণ্ডৰ হৈ অধিয়ানক জ'ছ বাটলাৰে সৰ্বাধিক ৪৫ ৰান কৰে। ভাৰতৰ অক্ষৰ পেটেল আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট দখল কৰে। এই জয়ৰ সুবাদত ভাৰত শৃংখলাত ২-০ ফলাফলেৰে আগবাঢ়ি আছে।

শৃংখলাৰ তৃতীয়খন খেল মঙলবাৰে গুজৰাটৰ ৰাজকোটত খেলোৱা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৩ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশৰ কোনো কোনো স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

oooooo

সমাপ্ত